# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE

১। রাজ্যত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰ। এন ডি এৰ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত।

২। গহপুৰ-নুমলীগড় সংযোগী দেশৰ দীৰ্ঘতম নদী সুৰংগপথ নিৰ্মাণত কেন্দ্ৰীয় ঘাইপথ মন্ত্ৰ্যালয়ৰ সেউজ সংকেত।

৩। ৰাষ্ট্ৰীয় অনুসন্ধান গৱেষনা প্ৰতিষ্ঠানৰ বিশেষ অনুদানৰ বাবে দেশৰ ছখন বিশ্ববিদ্যালয়ৰ ভিতৰত তেজপুৰ আৰু কটন বিশ্ববিদ্যালয়ো নিৰ্বাচিত ।

৪। জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িওৱা ৩৫ বিধ ঔষধৰ বিক্ৰী আৰু উৎপাদনত কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰণ সংগঠনৰ নিষেধাজ্ঞা।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু, পাঞ্জাব কিংছৰ হাতত পৰাজিত।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পিছতে এন ডি এ ৩৭ খন জিলা পৰিষদৰ সমষ্টি আৰু ৩১১ টা আঞ্চলিক পঞ্চায়ত সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৩৭ খন জিলা পৰিষদৰ ভিতৰত ৩৫ খনত বিজেপিয়ে আৰু দুখনত অসম গণ পৰিষদে জয়লাভ কৰে। আনহাতে, ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২ টা আঞ্চলিক পৰিষদৰ সমষ্টিৰ ২৫৯ টা বিজেপিয়ে, ২৯ টা অসম গণ পৰিষদে আৰু ১৩ টা ৰাভা যৌথ মঞ্চই দখল কৰিছে।

ইতিমধ্যে অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। **হাইলাকান্দি** জিলাত এইবাৰ পঞ্চায়ত নিৰ্বাচনত মুঠ দুহেজাৰ ৫২০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ ভিতৰত সৰ্বাধিক দুহেজাৰ ১৫৮ গৰাকী প্ৰাৰ্থী গাঁও পঞ্চায়ত পদৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আঞ্চলিক পঞ্চায়ত সদস্য পদৰ বাবে ২৯৪ জন আৰু জিলা পৰিষদৰ সদস্য পদৰ বাবে ৬৮ জন প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। জিলা প্ৰশাসনে জনাইছে যে গাঁও পঞ্চায়ত সদস্য পদত ৬২ আৰু

আঞ্চলিক পঞ্চায়ত সদস্য পদত ৫ গৰাকী প্ৰাৰ্থীয়ে ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। আঞ্চলিক সদস্য পদত জয়লাভ কৰা ৫ জনেই ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী।

পঞ্চায়ত নিৰ্বাচন উপলক্ষে ভাৰতীয় জনতা পাৰ্টীৰ **ঢকুৱাখনা** জিলা সমিতিৰ উদ্যোগত ঢকুৱাখনা মণ্ডল সমিতিৰ উদ্যোগত খেৰকটা পঞ্চায়তৰ জামুগুৰি ৰংগমঞ্চ প্ৰেক্ষাগৃহত কালি পৃষ্ঠাপ্ৰমুখ আৰু কাৰ্যকৰ্তা সন্মিলনৰ আয়োজন কৰা হয়।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে **বৰাক**লৈ যাব। তেওঁ **ধলাই** বিধানসভা সমষ্টিৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ লগতে দলীয় কৰ্মী সন্মিলনতো অংশগ্ৰহণ কৰিব।

**নগাওঁ** জিলাৰ ২৭ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে ৬৬ গৰাকী ১৬৪ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে ৩৫৯ গৰাকী আৰু ১৬৪ খন গাওঁ পঞ্চায়তৰ এহেজাৰ ৬৪০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ৩ হেজাৰ ৯৮৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। লগতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হৈছে। জিলাখনৰ এহেজাৰ ৮২১ টা ভোটগ্ৰহণ কেন্দ্ৰত অহা ৭ মে'ত পুৱা চাৰে সাত বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈকে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে এশটা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত ১৭০ গৰাকী চেক্টৰ বিষয়া, ৪৩ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ৭ হাজাৰ ৫৭২ গৰাকী অন্যান্য পুৰুষ নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। ইপিনে, মহিলা নিৰ্বাচনী বিষয়াৰ সংখ্যা হৈছে সৰ্বমুঠ ৪৪০। পঞ্চায়ত নিৰ্বাচনৰ বাবে নগাওঁ জিলাৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১৩ লাখ ৯১ হাজাৰ ৪৮৫।

**তিনিচুকীয়া** জিলাৰ পঞ্চায়ত নিৰ্বাচন পৰ্যবেক্ষণৰ বাবে নিয়োজিত ৩ গৰাকী পৰ্যবেক্ষকৰ উপস্থিতিত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজ্যিক নিৰ্বাচন আয়োগে নিযুক্তি দিয়া পৰ্যবেক্ষক তিনিগৰাকীও অংশগ্ৰহণ কৰি নিৰ্বাচন সন্দৰ্ভত বুজ লয়। তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচন উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচন সংক্ৰান্তীয় দলীয় কাম-কাজ সম্পৰ্কে আলোচনা কৰে। নিৰ্বাচনৰ প্ৰস্তুতি, প্ৰচাৰ আৰু সাংগঠনিক দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক সঞ্জয় কিষাণ, ভাস্কৰ শৰ্মা, সুৰেণ ফুকনকে ধৰি দলৰ জ্যেষ্ঠ নেতা তথা তিনিচুকীয়া জিলাৰ দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

**ডিব্ৰুগড়**ত পঞ্চায়ত নিৰ্বাচনৰ নিৰ্দেশনাসমূহৰ বিষয়ে চেক্টৰ আৰু জ'নেল বিষয়াসকলৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিষয়াসকলক ভোটগ্ৰহণ কেন্দ্ৰসমূহ পুনৰ ভালদৰে পৰিদৰ্শন কৰি যাৱতীয় সা-সুবিধা উপলব্ধ আছে নে নাই বুজ লোৱাৰ লগতে নিৰ্বাচনৰ ভোটগ্ৰহণ কেন্দ্ৰ, ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো সমস্যাৰ উদ্ভৱ হ'লে তাৎক্ষণিকভাৱে জিলা প্ৰশাসনক অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

**ধেমাজি** জিলাতো জিলা প্ৰশাসনে নিৰ্বাচনী পৰ্যবেক্ষকৰ উপস্থিতিত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা জিলা পৰিষদৰ সদস্য আৰু আঞ্চলিক পঞ্চায়ত সদস্য প্ৰাৰ্থীসকলৰ সৈতে তেওঁলোকৰ নিৰ্বাচনী নিৰীক্ষণ, আৰ্হি আচৰণ বিধি আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। **হোজাই** জিলাত পঞ্চায়ত

নিৰ্বাচনৰ  দায়িত্ব থকা পৰ্যবেক্ষক দুগৰাকীয়ে ইতিমধ্যে পোলিং ষ্টেছনসমূহ চোৱা চিতা কৰাৰ লগতে সকলো কাম-কাজৰ তদাৰক কৰিছে।

০০০০০

ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ কৰিবলগীয়া গহপুৰ-নুমলীগড় সংযোগী ১৫ দশমিক ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ দেশৰ দীৰ্ঘতম নদী সুৰংগপথ নিৰ্মাণত কেন্দ্ৰীয় ঘাইপথ মন্ত্ৰালয়ে সেউজ সংকেত দিছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ অধীনৰ ব্যয় বিভাগৰ সচিবৰ অধ্যক্ষতাত গঠিত পাব্লিক ইনভেষ্টমেণ্ট বোৰ্ডে এপ্ৰোচ পথসহ সুৰংগ নিৰ্মাণত অনুমোদন দিয়াৰ পিছত বিষয়টো শীঘ্ৰেই কেন্দ্ৰীয় কেবিনেটত উত্থাপন হ'ব। এই সুৰংগ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা ধনৰ ৮০ শতাংশ পথ পৰিবহন মন্ত্ৰালয়ে আৰু বাকী ২০ শতাংশ ধন প্ৰতিৰক্ষা মন্ত্ৰালয়ে বহন কৰিব। যাতায়ত, যোগাযোগ আৰু প্ৰতিৰক্ষাৰ দিশেৰে সমগ্ৰ দেশৰ বাবে এই সুৰংগ পথটো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব। ১৪ হাজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া গহপুৰ-নুমলীগড় সংযোগী চাৰিলেনযুক্ত সুৰংগ পথে যাতায়তৰ সময় চাৰে ছয় ঘণ্টাৰ পৰা ৩০ মিনিটলৈ হ্ৰাস কৰিব।

০০০০০

ৰাষ্ট্ৰীয় অনুসন্ধান গৱেষনা প্ৰতিষ্ঠানৰ অনুদান ৰাজ্যৰ দুখন আগশাৰীৰ শিক্ষানুষ্ঠানে লাভ কৰিছে। পাৰ্টনাৰশ্বিপ ফ'ৰ এক্সেলেৰেটেড ইন'ভেছন এণ্ড ৰিচাৰ্ছ চমুকৈ পেয়াৰ কাৰ্যসূচীৰ অধীনত কটন বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ে এই অনুদান লাভ কৰিছে। আনহাতে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, দিল্লী ফাৰ্মাচিউটিকেল ছায়েন্স এণ্ড ৰিচাৰ্ছ ইনষ্টিটিউট আৰু বেৰহামপুৰ বিশ্ববিদ্যালয়ৰ পেয়াৰৰ অনুদানৰ বাবে নিৰ্বাচিত কৰা হৈছে। ফলত বিশ্ববিদ্যালয় কেইখনে পৰৱৰ্তী ৫ বছৰ গৱেষণাৰ বাবে প্ৰায় ১৪ কোটি টকাকৈ লাভ কৰিব। উল্লেখযোগ্য যে, দেশৰ বহুসংখ্যক শিক্ষা প্ৰতিষ্ঠানে এই অনুদানৰ বাবে প্ৰস্তাৱ দাখিল কৰিছে যদিও মাত্ৰ ছখন বিশ্ববিদ্যালয়হে ইয়াৰ বাবে যোগ্য বিবেচিত হয়।

০০০০০

কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰণ সংগঠনে জনস্বাস্থ্যৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৩৫ বিধ ফিক্সড ড'জ কম্বিনেছন ঔষধৰ বিক্ৰী আৰু উৎপাদন নিষিদ্ধ কৰিবলৈ নিৰ্দেশ দিছে। এই ঔষধবোৰৰ ভিতৰত আছে কেইবা প্ৰকাৰো পেইনকিলাৰ, পৰিপুষ্টি পৰিপুৰক, ডায়বেটিছ প্ৰতিৰোধী ঔষধ আদি। কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰক সংগঠনটোৱে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা এই ঔষধসমূহ কিমান নিৰাপদ সেয়া আগতীয়াকৈ পৰীক্ষা নকৰাকৈ উৎপাদন, বিক্ৰী আৰু বিতৰণৰ বাবে অনুজ্ঞাপত্ৰ দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক সমালোচনা কৰিছে। সংগঠনটোৱে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ঔষধ নিয়ন্ত্ৰকসকললৈ এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী চাফাৰী অহা ৩০ এপ্ৰিলৰ পৰা বন্ধ ৰখা হ'ব। উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে প্ৰকাশ কৰা অনুসৰি যোৱা ১ নৱেম্বৰত আৰম্ভ হোৱা হাতী চাফাৰীয়ে পৰ্যটকৰ পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰিছিল।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াই ইতিমধ্যে এই অনুষ্ঠানলৈ বাৰ্তা প্ৰেৰণ কৰিছে।

*(বাইট ঃ ড০ নগেন শইকীয়া)*

অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ - এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

এই অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

বাক্সা জিলা সাহিত্য সভাৰ আতিথ্যত জিলাখনৰ জালাহস্থিত অসম সাহিত্য সভাৰ আঞ্চলিক কাৰ্যালয়ত কালি সন্ধিয়া অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচীৰ অংশ হিচাপে 'মন জুৰুৱা অনুষ্ঠান' সম্পন্ন হয়। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ উত্তৰণৰ দিশত আৰু বাক্সা জিলা সাহিত্য সভাৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। সভাত ভাষণ দি শ্ৰী ৰাজখোৱাই অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচীৰ জৰিয়তে সমাজলৈ সভাৰ ইতিবাচক দিশৰ বাৰ্তা যাব বুলি উল্লেখ কৰে। ১ ব'হাগৰ পৰা সকলো চৰকাৰী জাননী অসমীয়া ভাষাত প্ৰেৰণ কৰিব বুলি আৰু কাৰ্যালয়ত অসমীয়া ভাষা বলৱৎ কৰিব বুলি ৰাজ্য চৰকাৰে কৰা ঘোষণাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত কালিৰেপৰা সভাৰ সেতুবন্ধ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ন-পুৰণি বিষয়ববীয়া আৰু সভ্যকে ধৰি সকলো স্থায়ী সদস্য আৰু বৌদ্ধিক সমাজৰ বিদ্বান ব্যক্তিসকলক একত্ৰিত কৰাৰ লক্ষ্যৰে এই সেতুবন্ধ যাত্ৰা আৰম্ভ কৰা হৈছে। গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা কালি পুৱা আৰম্ভ হোৱা এই সেতুবন্ধ যাত্ৰাৰ ধুবুৰী জিলাত অন্ত পৰিব।

০০০০০

বাক্সা জিলাৰ বৰমাত কালি বড়োসকলৰ অন্যতম ধৰ্মীয় গুৰু গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ১৬৬ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। গুৰুদেৱ কালীচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ উদ্যোগত আৰু বি টি আৰ প্ৰশাসনৰ সহযোগত বৰমা মহাবিদ্যালয় চৌহদত উদযাপন কৰা জয়ন্তী উপলক্ষে সপ্তম গুৰুদেৱ কালীচৰণ ব্ৰহ্ম বঁটা, ২০২৫ প্ৰদান কৰা হয়। ওড়িশাৰ বিশিষ্ট শিক্ষাবিদ প্ৰফেছাৰ অচ্যুতা সামন্তক এইবেলি গুৰুদেৱ কালীচৰণ ব্ৰহ্ম বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে - নগদ ১ লাখ টকা, মানপত্ৰ আৰু কালীচৰণ ব্ৰহ্মৰ প্ৰতিমূৰ্তি এই উপলক্ষে

আয়োজিত সভাত ট্ৰাষ্টৰ সভাপতি ডঃ অজিত বড়ো, বি টি আৰ প্ৰধান প্ৰমোদ বড়ো, বড়ো সাহিত্য সভাৰ উপ-সভাপতি সীতাৰাম বসুমতাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত পাঞ্জাব কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৫ উইকেটত পৰাজিত কৰে। বৰষুণৰ বাবে খেলখন ১৪ অভাৰত সীমিত ৰাখিবলগীয়া হয়। পাঞ্জাব কিংছে ৯৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৫ উইকেটৰ বিনিময়ত ১১টা বল খেলিবলৈ বাকী থকা অৱস্থাত বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি সীমিত ১৪ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৫ ৰাণ সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ টিম ডেভিদে ২৬টা বলত ৫০ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নেহাল ৱাধেৰাই ১৯টা বলত ৩৩ ৰাণ কৰে। পাঞ্জাবৰ হৈ অৰ্শ্বদীপ সিং, মাৰ্কো জনছেন, য়ুজুবেন্দ্ৰ চাহল আৰু হৰপ্ৰীত ব্ৰাৰে দুটাকৈ উইকেট দখল কৰাৰ লগতে জছ হেজেলউদে ৩টা উইকেট লাভ কৰে। টিম ডেভিডক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়া চাৰে ৭ বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।

ooooo

## NPR/RNU (19-04-2025, Morn.)

গহপুৰ-নুমলীগড় সুৰংগপথ নিৰ্মাণত আন্তঃমন্ত্ৰ্যালয় সমিতিৰ অনুমোদন, আমেৰিকাৰ তেলখাদত হোৱা আক্ৰমণত ৭৪ জন লোকৰ মৃত্যু, পঞ্চায়ত নিৰ্বাচনত ৩২৫ খন আসনত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

অসম ৰাজ্যিক বিদ্যালয় পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতে পৰীক্ষাৰ উত্তৰ বহী পুনৰীক্ষণৰ বাবে পৰিষদে এটা বিশেষ প'ৰ্টেল মুকলি কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কাৰ্বি আংলং জিলাৰ এশখন গাঁৱত চৰকাৰে ৰংকেৰ ছেট নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

'অতীত হ'ব টোলগেট ফাষ্ট টেগ, উপগ্ৰহীয় ব্যৱস্থাৰে বাহনৰ কৰ সংগ্ৰহ কৰিব চৰকাৰে' এই শীৰ্ষক এটা বিশেষ বক্স নিউজ প্ৰকাশ কৰিছে **অসমীয়া খবৰ** কাকতখনে।

শ্ৰীমদ্ভাগৱতগীতা আৰু ভৰত মুনিৰ নাট্যশাস্ত্ৰলৈ ইউনেস্ক'ৰ আন্তৰ্জাতিক স্বীকৃতি প্ৰদান কৰাৰ এটা গুৰুত্বপূৰ্ণ বাতৰি **অসমীয়া প্ৰতিদিন** আৰু **দৈনিক জনমভূমি**ৰ লগতে প্ৰায়কেইখন কাকতে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণৰ পূৰ্বেই ৩৭ খন জিলা পৰিষদ আৰু ২৮৮ খন আঞ্চলিক পঞ্চায়তৰ আসনত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বাতৰিটোক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

২০২৬-ত ক্ষমতালৈ আহিলে দুখীয়া মহিলাসকলক প্ৰতিমাহে ৩ হাজাৰ ৫০০ টকাকৈ সাহায্য প্ৰদান কৰিব বুলি কংগ্ৰেছ দলে পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰত প্ৰতিশ্ৰুতি দিয়াৰ এটা বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

ভাৰত আৰু আমেৰিকাৰ মাজৰ প্ৰযুক্তি সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মোদী আৰু এলন মাস্কৰ মাজত হোৱা গুৰুত্বপূৰ্ণ বৈঠকৰ বাতৰি **দা ছেণ্টিনেল** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

হিন্দুস্তানী শাস্ত্ৰীয় সংগীতৰ বিদগ্ধ পণ্ডিত দামোদৰ বৰাৰ দেহাৱসানৰ বাতৰি **আমাৰ অসম, অসমীয়া প্ৰতিদিন** কাকতৰ লগতে ভালেকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অসম, মিজোৰাম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাইবিশেষে পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠায়ে ঠায়ে বিজুলী ঢেৰেকনিৰ লগতে প্ৰতি ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগত বতাহ বলাৰ আশংকা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত